# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 19-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। বন্দৰ, জাহাজ পৰিবহণ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি সামুদ্ৰিক খণ্ডত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ লগতে সমাজত লিংগ সমতা অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ **সাগৰ মে সন্মান** কাৰ্যসূচী মুকলি কৰে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি ছদিনীয়া ভ্ৰমণসূচীৰে নেডাৰলেণ্ডছ, ডেনমাৰ্ক আৰু জাৰ্মানীলৈ যাব।

৩। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ এটা দলে সফলতাৰে মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি এটা উল্লেখযোগ্য মাইলৰ খুঁটিত উপনীত হৈছে।

৪। ১৯ বছৰ অনূৰ্ধ দক্ষিণ এছিয় ফুটবল ফেডাৰেচন, ছাফ ফুটবল প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক পেনাল্টি শ্বুটআউটৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা অনুষ্ঠিত খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক ১০ উইকেটত পৰাস্ত কৰে।

০০০০০

বন্দৰ, জাহাজ পৰিবহণ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি সামুদ্ৰিক খণ্ডত মহিলাৰ অংশগ্ৰহণ বৃদ্ধিৰ লগতে সমাজত লিংগ সমতা অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ **সাগৰ মে সন্মান** কাৰ্যসূচী মুকলি কৰে। মুম্বাইত কালি সামুদ্ৰিক খণ্ডত মহিলাৰ অংশগ্ৰহণৰ আন্তঃৰাষ্ট্ৰীয় দিৱস উদযাপনৰ উদ্বোধনী অনুষ্ঠানত এই কাৰ্যসূচী মুকলি কৰা হয়। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, যে ভাৰতীয় সামুদ্ৰিক খণ্ডত মহিলাৰ অংশগ্ৰহণ চকুত লগাকৈ বৃদ্ধি পাইছে। ২০১৪ চনত ৩৪১ গৰাকী মহিলা নাৱিকৰ বিপৰীতে ২০২৪ চনত মহিলা নাৱিকৰ সংখ্যা ২ হাজাৰ ৫৫৭ লৈ বৃদ্ধি হৈছে। এই বৃদ্ধিৰ হাৰ ৬৪৯ শতাংশ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতীয় আৰু বিদেশী জাহাজসমূহত ভাৰতৰ মহিলা নাৱিকৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাই আছে। শ্ৰীসোণোৱালে বিভিন্ন খণ্ডত মহিলাৰ বিকাশ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ মূল অগ্ৰাধিকাৰৰ বিষয় বুলি উল্লেখ কৰে।

সামুদ্ৰিক খণ্ডত মহিলাৰ অংশগ্ৰহণৰ আন্তঃৰাষ্ট্ৰীয় দিৱস উদযাপনৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লগতে ভাৰতীয় সামুদ্ৰিক খণ্ডত অসাধাৰণ প্ৰদৰ্শন আগবঢ়োৱা মহিলাসকলক সম্বৰ্ধনা জনাই সন্মান প্ৰদৰ্শন কৰে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি ছদিনীয়া ভ্ৰমণসূচীৰে নেডাৰলেণ্ডছ, ডেনমাৰ্ক আৰু জাৰ্মানীলৈ ৰাওনা হ'ব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ড০ জয়শংকৰে এই ভ্ৰমণকালত তিনিওখন ৰাষ্ট্ৰৰে নেতৃবৰ্গক সাক্ষাৎ কৰিব। তাত তেওঁ দেশকেইখনৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক স্বাৰ্থজড়িত

বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক অধিক উন্নত কৰাৰ উদ্দেশ্যে কেইবালানি আলোচনাত মিলিত হ'ব।

০০০০০

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী এনচিচিৰ এটা অভিযান দলে মাউণ্ট এভাৰেষ্ট সফলতাৰে আৰোহণ কৰি এক উল্লেখযোগ্য মাইলৰ খুঁটিত উপনীত হৈছে। দলটোত ১০ গৰাকী এন চি চি কেডেটৰ লগতে চাৰিজন বিষয়া, দুগৰাকী কনিষ্ঠ বিষয়া, এগৰাকী মহিলা কেডেট প্ৰশিক্ষক আৰু ১০ গৰাকী অনা অন্তৰ্ভুক্ত বিষয়া আছিল। এই দহজন কেডেটৰ ভিতৰত পাঁচজন ল'ৰা আৰু পাঁচগৰাকী ছোৱালী। যোৱা ৩ এপ্ৰিলত নতুন দিল্লীৰ পৰা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই অভিযান পতাকা জোকাৰি শুভাৰম্ভ কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, নিৰ্বাচিত কেডেটসকল কম বয়সীয়া আৰু তেওঁলোকক দেশৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰ্বাচিত কৰা হৈছিল। তেওঁলোকে কঠোৰ বাছনি আৰু প্ৰশিক্ষণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। নেপালৰ শ্বেৰপা সকলে এন চি চিৰ দলটোক শাৰীৰিক প্ৰস্তুতি আৰু মনোবলৰ বাবে প্ৰশংসা কৰিছে। প্ৰত্যাহ্বানমূলক বতৰ আৰু ভূখণ্ডৰ সন্মুখীন হোৱাৰ পিছতো কেডেটসকলে বিশ্বৰ সৰ্বোচ্চ শৃংগটোৰ ওপৰত সফলতাৰে জাতীয় পতাকা আৰু এনচিচিৰ পতাকা উৰুৱায়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ ছ'লাপুৰৰ এটা কাৰখানাত সংঘটিত অগ্নিকাণ্ডত বহুকেইজন লোকৰ মৃত্যু হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে অগ্নিকাণ্ডৰ ফলত এনেদৰে কেইবাজনো লোকে প্ৰাণ হেৰুৱাৰ ঘটনা অতিশয় দুখজনক। তেওঁ নিহতসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। ইপিনে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে নিহতসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। আহতসকলক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বহুজন সমাজ পাৰ্টি- বিএছপিৰ মুৰব্বী মায়াৱতীয়ে আকাশ আনন্দক দলটোৰ মুখ্য ৰাষ্ট্ৰীয় সমন্বয়ক হিচাপে নিযুক্তি দিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত আকাশ আনন্দক দেশত বিএছপিৰ ভৱিষ্যত কাৰ্যসূচীৰ দায়িত্ব দিয়াৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱা হয়।

বিএছপিৰ মুৰব্বী মায়াৱতীয়ে বৈঠকত পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত চলোৱা অপাৰেচন সিন্দূৰৰ অধীনত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ শৌৰ্য আৰু সাহসৰ শলাগ লয়। তেওঁ লগতে কয় যে কাশ্মীৰ বিষয়ত আমেৰিকা বা আন কোনো তৃতীয় পক্ষৰ হস্তক্ষেপ গ্ৰহণ নকৰাৰ ৰাষ্ট্ৰীয় ঐকমত কঠোৰভাৱে পালন কৰাটো গুৰুত্বপূৰ্ণ। সমাগত বিহাৰ বিধানসভা নিৰ্বাচনত দলটোৱে এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি বৈঠকত ঘোষণা কৰা হয়।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৫ দিনত উত্তৰ-পূৰ্বাঞ্চলৰ লগতে হিমালয়ৰ পাদদেশৰ পশ্চিমবংগ আৰু ছিকিমত বিজুলি ঢেৰেকণিৰ সৈতে ধাৰাষাৰৰ পৰা অতি প্ৰবল বৰষুণৰ আগলি বতৰা দিছে। এই সময়ছোৱাত কোংকাণ, গোৱা, কৰ্ণাটক আৰু কেৰালাৰ কাষৰীয়া উপকূলীয় অঞ্চলসমূহতো ধাৰাষাৰ বৰষুণ হ'ব। বিভাগে লগতে জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট বাল্টিস্তান, মুজাফ্ফৰবাদ আৰু হিমাচল প্ৰদেশতো আজি আৰু কাইলৈ বতাহ, আৰু বিজুলী গাজনিৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগজাননী দিছে। উত্তৰাখণ্ডতো ঠায়ে ঠায়ে অহা ২৪ মে'লৈকে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মতে, ২২ মে'ৰ আশে-পাশে কৰ্ণাটক উপকূলৰ পূব মধ্য আৰব সাগৰৰ ওপৰত নিম্ন চাপ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ দিশলৈ এই নিম্ন চাপ ক্ৰমে তীব্ৰতৰ হৈ মহাৰাষ্ট্ৰৰ বতৰত যথেষ্ট পৰিৱৰ্তন হোৱাৰ সম্ভাৱনা আছে। মহাৰাষ্ট্ৰ উপকূলত বিশেষকৈ কোংকান আৰু গোৱাৰ সমীপত ধুমুহা-বৰষুণৰ সম্ভাৱনা থকাৰ বাবে অহা ৫ দিনৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে মাছমৰীয়াসকলৰ বাবে সতৰ্কবাণী জাৰি কৰিছে।

০০০০০

বিশ্বব্যাপী ইতিবাচক আৰু ঘৰুৱা পৰিস্থিতি উন্নতিৰ পৰিপ্ৰেক্ষিতত চলিত মাহত এতিয়ালৈকে বিদেশী বিনিয়োগকাৰীয়ে ভাৰতীয় ইকুইটি বজাৰত ১৮ হাজাৰ কোটি টকাৰো অধিক ধন বিনিয়োগ কৰিছে। ডিপ'জিটৰীৰ তথ্য অনুসৰি ফৰেইন পৰ্টফলিঅ' বিনিয়োগকাৰী বা এফ পি আইয়ে ইকুইটি বজাৰত ১৮ হাজাৰ ৬২০ কোটি টকা বিনিয়োগ কৰিছিল যদিও মে'ত এতিয়ালৈকে ঋণ বজাৰৰ পৰা ৬ হাজাৰ ৭৪৮ কোটি টকা উলিয়াই আনিছে।

৩ মাহৰ ক্ৰমাগত বহিঃপ্ৰবাহৰ পিছত এপ্ৰিলত গড়ে ৪ হাজাৰ ২২৩ কোটি টকা বিনিয়োগৰ পিছত ইকুইটি বজাৰৰ উত্থান ঘটে। ইয়াৰ পূৰ্বে বিনিয়োগকাৰীয়ে মাৰ্চত ৩ হাজাৰ ৯৭৩ কোটি, ফেব্ৰুৱাৰীত ৩৪ হাজাৰ ৫৭৪ কোটি আৰু জানুৱাৰীত ৭৮ হাজাৰ ২৭ কোটি টকা উলিয়াই নিছিল।

০০০০০

অৰুণাচল প্ৰদেশৰ ইউপিয়াত অনুষ্ঠিত ১৯ বছৰ অনূৰ্ধ দক্ষিণ এছিয় ফুটবল ফেডাৰেচন, ছাফ ফুটবল প্ৰতিযোগিতাত ভাৰতে বাংলাদেশক পেনাল্টি শ্বুটআউটৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। উত্তেজনাপূৰ্ণ খেলখনত যোৱাবাৰৰ বিজয়ী ভাৰতৰ অধিনায়ক ছিংগামায়ুম শ্বামীয়ে খেলৰ দ্বিতীয় মিনিটতে প্ৰথমটো গ'ল দিয়ে। অৱশ্যে ৬১ মিনিটত বাংলাদেশে এটা গ'ল দি খেলখনত সমতা স্থাপন কৰে। খেল শেষ হোৱালৈকে ১-১ গ'লত ড্ৰ হৈ থকাৰ ফলত পেনাল্টি শ্বুটআউটৰ সহায় ল'বলগীয়া হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুজৰাট টাইটানছে দেলহী কেপিটেলছক ১০ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি গুজৰাটৰ অপেনিং যুটী ছাই সুদৰ্শন আৰু অধিনায়ক শুভমন গিলে দেলহী কেপিটেলছৰ বলিং আক্ৰমণ ধ্বংসায়ী কৰি অপৰাজিত হৈ ৰয়। সুদৰ্শনৰ শতক আৰু শুভমন গিলৰ ৫৩টা বলত কৰা ৯৩ ৰানে গুজৰাটক খেলখন শেষ হ'বলৈ এটা অভাৰ বাকী থকা অৱস্থাতেই জয়ৰ সোৱাদ দিয়ে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি দেলহী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰে। অপেনাৰ কে এল ৰাহুল অপৰাজিত হৈ ৰয়। এই জয়ৰ লগে লগে গুজৰাট টাইটানছ পইণ্ট তালিকাৰ শীৰ্ষস্থানত

উপনীত হোৱাৰ লগতে প্লে অফৰ বাবে যোগ্যতা অৰ্জন কৰে। ইতিমধ্যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছে প্লে অফত স্থান কৰিছে।

ইপিনে, ৰাজস্থানৰ ছাৱাই মানসিং ষ্টেডিয়ামত কালি অনুষ্ঠিত আন এখন খেলত পাঞ্জাব কিংছে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ১০ ৰাণত জয়লাভ কৰে। খেলখনত পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে। পাঞ্জাব কিংছৰ হৈ নেহাল ৱাধেৰাই সৰ্বাধিক ৭০ ৰান আৰু শশান্ত সিঙে ৫৯ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ২০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্নৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত **যক্ষ্মা ৰোগৰ প্ৰতিকাৰ তথা প্ৰতিৰোধ** সন্দৰ্ভত নতুন দিল্লীৰ চফদৰজং চিকিৎসালয়ৰ হাওফাওৰ ৰোগ বিভাগৰ মুৰব্বী চিকিৎসক ডাঃ ৰোহিত কুমাৰ আৰু সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ একে বিভাগৰ সহযোগী অধ্যাপক ডাঃ সৌৰভ মিট্টালৰ সৈতে হোৱা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি চিকিৎসককেইগৰাকীক বিষয়টো সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। আগ্ৰহীসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

ooooo

সমাপ্ত